**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-02-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মধ্যপ্ৰদেশ, বিহাৰ আৰু অসমৰ তিনি দিনীয়া ভ্ৰমণসূচীৰে কাইলৈ ৰাওনা হ'ব।

৩। কেন্দ্ৰীয় চৰকাৰৰ প্ৰচেষ্টাৰ ফলত বিগত ৩ বছৰত সমবায় খণ্ডই গতি লাভ কৰিছে বুলি কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে মন্তব্য কৰিছে।

৪। হাংজৌ এছিয়ান গেমছত ব্ৰঞ্জৰ পদক বিজেতা গুলবীৰ সিঙে পুৰুষৰ ৫ হাজাৰ মিটাৰ ইণ্ডোৰ দৌৰ ১৩ মিনিটৰো কম সময়ত সম্পূৰ্ণ কৰি ইতিহাস ৰচনা কৰিছে।

*আৰু*

৫। ইংলেণ্ডে আই চি চি ছেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগতাৰ এখন খেলত অষ্ট্ৰেলিয়াক জয়ৰ বাবে ৩৫২ ৰানৰ লক্ষ্য বান্ধি দিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৯ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ লগতে airnews ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মধ্যপ্ৰদেশ, বিহাৰ আৰু অসমৰ তিনি দিনীয়া ভ্ৰমণসূচীৰে কাইলৈ ৰাওনা হ'ব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰী মোদীয়ে মধ্যপ্ৰদেশৰ চত্তৰপুৰ জিলাৰ বাঘেশ্বৰ ধান চিকিৎসা আৰু বিজ্ঞান গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা কৰিব। এই চিকিৎসালয়খনত অত্যাধুনিক আহিলা পাতি আৰু বিশেষজ্ঞ চিকিৎসকৰ সহায়ত দুখীয়া কৰ্কট ৰোগীসকলক বিনামূলীয়া চিকিৎসা প্ৰদান কৰা হ'ব। তেওঁ লগতে ভূপালত দুদিনীয়া গোলকীয় বিনিয়োগ সন্মিলন মুকলি কৰিব।

সোমবাৰে প্ৰধানমন্ত্ৰী বিহাৰৰ ভাগলপুৰলৈ যাব। সিদিনাখন তেওঁ ভাগলপুৰৰ পৰা প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ ঊনিবংশ কিস্তিৰ ধন মুকলি কৰিব। এই আঁচনিৰ অধীনত খেতিয়কসকলক সম পৰিমাণৰ তিনিটা কিস্তিৰ বছৰি ৬ হাজাৰ টকা প্ৰদান কৰা হয়।

সমগ্ৰ দেশৰ ৯ কোটি ৮০ লাখৰো অধিক খেতিয়কৰ প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰ মাধ্যমেৰে ২২ হাজাৰ কোটিৰো অধিক টকাৰ বিত্তিয় সাহায্য প্ৰদান কৰা হ'ব বুলি কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। মোদী চৰকাৰে কৃষকৰ কল্যাণত সৰ্বাধিক গুৰুত্ব আৰোপ কৰি আহিছে বুলি উল্লেখ কৰি শ্ৰী চৌহানে কয়, যে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অধীনত বৰ্তমানলৈকে দেশৰ ১১ কোটিৰো অধিক পৰিয়াললৈ ৩ লাখ ৪৬ হাজাৰ কোটি টকা যোগান ধৰা হৈছে। এই উপলক্ষে সমগ্ৰ দেশৰ ৭৩১টা কৃষি বিজ্ঞান কেন্দ্ৰ বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে আঢ়ৈ কোটি কৃষি পৰিয়ালে প্ৰত্যক্ষ অথবা ভাৰ্চুৱেল ব্যৱস্থাৰে এই অনুষ্ঠানত যোগদান কৰিব।

প্ৰধানমন্ত্ৰীয়ে বিহাৰ ভ্ৰমণ সামৰি অসমৰ চাহৰ ২০০ বছৰীয়া ঐতিহ্য উদযাপনকল্পে হ'বলগীয়া ঝুমইৰ বিনন্দিনী শীৰ্ষক অনুষ্ঠান উপভোগ কৰাৰ বাবে গুৱাহাটীলৈ আহিব। সেইদিনাই তেওঁ দুখন জনগোষ্ঠীয় প্ৰদৰ্শনীতো ভাগ ল'ব। প্ৰধানমন্ত্ৰীয়ে মঙলবাৰে উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ মুকলি কৰিব। প্ৰধানমন্ত্ৰী আদৰাৰ বাবে অসম চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যখনৰ বিভিন্ন সাংস্কৃতিক দলসমূহে অসমৰ বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনেৰে প্ৰধানমন্ত্ৰীগৰাকীক লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত আদৰণি জনাব।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ প্ৰচেষ্টাৰ ফলত বিগত ৩ বছৰত সমবায় খণ্ডই গতি লাভ কৰিছে বুলি কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে মন্তব্য কৰিছে। পুনেত আজি **জনতাসহকাৰী বেংক, পুনে**ৰ মহাৰজত জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীয়ে কয়, যে মোদী চৰকাৰে দেশৰ সমবায় খণ্ডক বিপণনযোগ্য কৰি তুলিছে। তেওঁ লগতে কেন্দ্ৰীয় পঞ্জীয়ন সমবায় সমিতিৰ প্ৰথমটো আঞ্চলিক কাৰ্যালয় পুনেত মুকলি কৰা হ'ব বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে সমগ্ৰ দেশৰ সমবায় বেংকসমূহৰ আৰ্থিক অসুবিধাসমূহ দূৰ কৰাত সহায় কৰাৰ বাবে এটা বিশেষ সংস্থা গঢ় দিয়া হৈছে। উল্লেখযোগ্য যে এই সংস্থাই সকলো সমবায় বেংক শক্তিশালী কৰাৰ বাবে কাম কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে লগতে পুনেত অনুষ্ঠিত পশ্চিম মাণ্ডলিক পৰিষদৰ ২৭ সংখ্যক বৈঠকতো অধ্যক্ষতা কৰে। আজিৰ অনুষ্ঠানত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাৰ্নাবিছ, উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰ, উপ-মুখ্যমন্ত্ৰী একনাথ সিন্দে, কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহনৰ ৰাজ্যিক মন্ত্ৰী মুৰলীধৰ মহল, উচ্চ আৰু কাৰিকৰী শিক্ষাৰ ৰাজ্য মন্ত্ৰী চন্দ্ৰকান্ত পাটিলকে ধৰি অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

ooooo

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় কাইলৈ দিনযোৰা ভ্ৰমণসূচীৰে জয়পুৰলৈ যাব। এই ভ্ৰমণকালত শ্ৰী ধনখড়ে জয়পুৰ ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ৰ চতুৰ্দশ সমাৱৰ্তন অনুষ্ঠানৰ মুখ্য অতিথি হিচাপে অংশ ল'ব।

ooooo

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী ভূপেন্দৰ যাদৱে ভৱিষ্যতৰ নেতা গঢ় দিয়াৰ ক্ষেত্ৰত নিৰৱচ্ছিন্ন শিক্ষণ, ব্যক্তিগত আচৰণ আৰু দাৰ্শনিক অন্তৰ্দৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। মন্ত্ৰীগৰাকীয়ে

আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত চউল শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰি কয়, যে নেতৃত্ব মানে কেৱল উচ্চ পদবি লাভ কৰাই নহয়, বৰঞ্চ নেতৃত্ব হৈছে ধাৰাবাহিক শিক্ষণ, বিকাশ আদি। মন্ত্ৰীগৰাকীয়ে লগতে গতিশীল বিশ্বত বৰ্তমান বাহ্যিক পৰিঘটনা আৰু চিন্তাৰ দ্বাৰা বিচলিত হোৱাটো সহজ বুলি মন্তব্য কৰে। তেওঁ কয়, যে দৈনন্দিন জীৱনৰ  বিশৃংখলতাৰ মাজত শান্তি অক্ষুণ্ণ ৰাখিবলৈ আত্মনিয়ন্ত্ৰনৰ অভ্যাস কৰিব লাগিব।

ooooo

ভাৰতীয় ৰিজাৰ্ভ বেংক, আৰ বি আইৰ প্ৰাক্তন গৱৰ্নৰ শক্তিকান্ত দাসক প্ৰধানমন্ত্ৰীৰ প্ৰধান সচিব হিচাপে নিযুক্তি দিয়া হৈছে। শ্ৰী দাস ভাৰতীয় প্ৰশাসনিক সেৱাৰ ১৯৮০ চনৰ তামিলনাডু কেডাৰৰ অৱসৰপ্ৰাপ্ত বিষয়া।

ooooo

ৰাজহুৱা প্ৰশাসনৰ উৎকৰ্ষতাৰ বাবে প্ৰধানমন্ত্ৰী বঁটা ২০২৪ৰ বাবে এহেজাৰ ৫০০ ৰো অধিক মনোনয়ন লাভ কৰা হৈছে। এই বঁটাৰ লক্ষ্য হৈছে তিনিটা শিতানৰ অধীনৰ অসামৰিক কৰ্মচাৰীৰ অৱদানক স্বীকৃতি দিয়া। এই শিতানসমূহ হ'ল- জিলাসমূহৰ সামগ্ৰিক উন্নয়ন, অভিলাসী উন্নয়ন খণ্ড আৰু উদ্ভাৱন। জিলাসমূহৰ সামগ্ৰিক  উন্নয়ন আৰু অভিলাসী উন্নয়ন খণ্ড শিতানত মুঠ ৫টা বঁটা দিয়া হ'ব। আনহাতে ৬টা বঁটা উদ্ভাৱন শিতানত প্ৰদান কৰা হ'ব। কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি আৰু পেঞ্চন মন্ত্ৰ্যালয়ে জনোৱা মতে এই বঁটাৰ বাবে ৭১০ খন জিলাই পঞ্জীয়ন কৰিছে। অহা ২১ এপ্ৰিল তাৰিখে অসামৰিক সেৱা দিৱসৰ লগত সংগতি ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত এই বঁটা প্ৰদান কৰিব।

ooooo

পেলেষ্টাইনী গোট হামাছে গাজা যুদ্ধ বিৰতি চুক্তিৰ অংশ হিচাপে  ৫ জন ইজৰাইলী পনবন্দীক মুকলি কৰি দিছে। ইয়াৰে ভিতৰত ৰাফাহত দুজন আৰু নুছেৰতত তিনিজন পনবন্দীক মুকলি কৰি দিয়া হৈছে। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি ইজৰাইলে ৬০০ ৰো অধিক পেলেষ্টাইনী কয়দী আৰু আটকাধীন লোকক মুকলি কৰি দিবলৈ সাজু হৈছে। ইয়াৰে ভিতৰত ৬০ জন দীৰ্ঘকালীন শাস্তি ভোগ কৰা আৰু ৫০ জন যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত লোক আছে। ইয়াৰ উপৰি ৪৭ জন এনে লোক  আছে যিসকলক ২০১১ চনত মুকলি কৰি দিয়াৰ পাছত ইজৰাইলে গ্ৰেপ্তাৰ কৰিছিল। হামাছে অহা সপ্তাহত আৰু ৪ জন লোকক মুকলি কৰি দিব আৰু ইয়াৰ লগে লগে যুদ্ধ বিৰতি চুক্তিৰ প্ৰথম পৰ্যায় সম্পূৰ্ণ হ'ব।

ooooo

হাংজৌ এছিয়ান গেমছত ব্ৰঞ্জৰ পদক বিজেতা গুলবীৰ সিঙে পুৰুষৰ ৫ হাজাৰ মিটাৰ ইণ্ডোৰ দৌৰ ১৩ মিনিটৰো কম সময়ত সম্পূৰ্ণ কৰি ইতিহাস ৰচনা কৰিছে। গুলবীৰ এনে কৃতিত্ব আৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ। গুলবীৰে কালি বষ্টনৰ বি ইউ টেৰিঅ'ৰ ডি এম আৰ ছেলেঞ্জ প্ৰতিযোগিতাত ১৫ মিনিট আৰু ৫৯ দশমিক ৭-৭ ছেকেণ্ডত সম্পূৰ্ণ কৰি নতুন ৰাষ্ট্ৰীয় আৰু পাঁচ হাজাৰ ছৰ্ট ট্ৰেকট নতুন এছিয়ান অভিলেখ গঢ়ে। এই সাফল্যৰ সুবাদত খেলুৱৈগৰাকীয়ে ছেপ্তেম্বৰত টকিঅ'ত হ'বলগীয়া বিশ্ব চেম্পিয়ন শ্বিপলৈ যোগ্যতা অৰ্জন কৰিছে।

ooooo

ইংলেণ্ডে পাকিস্তানৰ লাহোৰৰ গড্ডাফি ষ্টেডিয়ামত অনুষ্ঠিত আই চি চি ছেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগতাৰ গ্ৰুপ বিৰ এখন খেলত অষ্ট্ৰেলিয়াক জয়ৰ বাবে ৩৫২ ৰানৰ লক্ষ্য বান্ধি দিছে। খেলখনত ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৮ টা উইকেট হেৰুৱাই ৩৫১ ৰান কৰে। ইংলেণ্ডৰ হৈ

পেন ডাকেটে ১৬৫ ৰান কৰে। জ' ৰুটে ৬৮ ৰানৰ বৰঙণি আগবঢ়ায়। অষ্ট্ৰেলিয়াৰ বেন দ্বাৰছেহে তিনিটা উইকেট দখল কৰে।

০০০০০

ভাৰতৰ শীৰ্ষ বাচনিপ্ৰাপ্ত জীৱন নেদুনছেঝিয়ান আৰু বিজয় সুন্দৰ প্ৰশান্তই পুনে এ টি পি ছেলেঞ্জাৰ হাড্ৰেদ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছ্‌ৰ খিতাপ দখল কৰিছে। জীৱন আৰু বিজয়ৰ যুটীটোৱে আজি ফাইনেলত দ্বিতীয় বাছনি প্ৰাপ্ত অষ্ট্ৰেলিয়াৰ ব্লেক বেল্ডন আৰু মেথিউ ৰোমিঅ'ছ যুটীটোক ৩-৬, ৬-৩, ১০-০ ছেটত পৰাস্ত কৰে।

০০০০০

সমাপ্ত